# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

বড়োলেণ্ড আঞ্চলিক পৰিষদ চমুকৈ বি টি আৰ চৰকাৰে আজি অঞ্চলটোত বসবাস কৰা ২৬টা জনগোষ্ঠীৰ বিকাশৰ বাবে প্ৰস্তুত কৰা বিকাশৰ ৰূপৰেখা সন্নিৱিষ্ট নথি পুস্তক আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই ৰূপৰেখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি টি আৰৰ এনে উদ্যোগৰ শলাগ লয় আৰু অঞ্চলটোত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে বি টি আৰত বিৰাজ কৰা শান্তিৰ পৰিৱেশৰ মাজত উন্নয়নৰ পথত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বি টি আৰ প্ৰশাসনে তেওঁলোকৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে সম্পন্ন কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি আৰু সৌহাৰ্দ্য বৃদ্ধি কৰি প্ৰগতিৰ পথত আগবাঢ়িব বুলি আস্থা প্ৰকাশ কৰে। আৰম্ভণিতে বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই ভৱিষ্যৎ ৰূপৰেখাৰ চমু অৱলোকন দাঙি ধৰে। বিভিন্ন গ্ৰন্থ আৰু নথিপত্ৰৰ বিস্তৃত অধ্যয়নৰ পাছত এই ৰূপৰেখা প্ৰস্তুত কৰা হৈছে বুলি বড়োৱে সদৰি কৰে। অনুষ্ঠানত ২৬টা জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিক জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা, ডাঃ ৰণোজ পেগু, ৰণজিৎ কুমাৰ দাস, অশোক সিংহল, ৰণগৌড়া নাৰ্জাৰী, সাংসদ জয়ন্ত বড়ো আৰু দিলীপ শইকীয়া, বিশিষ্ট সাংবাদিক পেট্ৰিছায়া মুখিমে নিজ নিজ জনগোষ্ঠীৰ ৰূপৰেখা নথিপুস্তক প্ৰদান কৰে। আজিৰ অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য আৰু কেইবাখনো বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অসম চৰকাৰৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধান গৰাকীও উপস্থিত আছিল।

ooooo

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাজ্যৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিসমূহৰ পুনৰ নিৰ্ধাৰিত সীমা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ পাছতে ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। ৰাজ্যিক বিজেপিয়ে ইতিমধ্যে পঞ্চায়ত নিৰ্বাচন ব্যৱস্থাপনা সমিতি, ইস্তাহাৰ সমিতি ইত্যাদি গঠন কৰি বিভিন্ন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। মিত্ৰদল অগপৰ সৈতে সাংগঠনিক জিলা অনুসৰি দলটোৱে আলোচনা অব্যাহত ৰাখিছে। আম আদমী পাৰ্টীয়েও আজি এখন প্ৰেছ বিজ্ঞপ্তিযোগে নিৰ্বাচন হ'বলগীয়া ২৭ খন জিলাৰ ১৮১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭ খন জিলা পৰিষদৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি জানিবলৈ দিছে। দলৰ সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়াই কয়, যে আসন্ন পঞ্চায়ত নিৰ্বাচনত ১০০ শতাংশ আসনতে দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিব। এইক্ষেত্ৰত আন কোনো দলৰ সৈতে বুজাবুজিৰ সম্ভাৱনা নাই বুলি শ্ৰী শইকীয়াই মন্তব্য কৰে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু ঔষধৰ মূল্যবৃদ্ধি, চিকিৎসা সেৱাৰ মাচুল বৃদ্ধি আৰু উন্নয়নমূলক আঁচনি ৰূপায়ণ ইত্যাদি বিষয়ক দলটোৱে নিৰ্বাচনী প্ৰসংগ হিচাপত ল'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি দক্ষিণ শালমাৰা মানকাচৰ ভ্ৰমণ কৰি জিলাখনৰ আমবাৰী আৰু ঢলুৰামাৰী অঞ্চলত  সৃষ্টি হোৱা খহনীয়াৰ বুজ লয়। উল্লেখযোগ্য যে এই অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে প্ৰায় ৬ কোটি টকাৰ প্ৰকল্প সাজু কৰি তুলিছে। খহনীয়াগ্ৰস্ত অঞ্চলটো নাৱেৰে পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্পৰ কাম শীঘ্ৰে আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। পাছত মন্ত্ৰী হাজৰিকাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে পাৰ্কুপাইন আৰু বাঁহেৰে আমবাৰী আৰু ঢলুৰামাৰীত এহেজাৰ ৫০০ মিটাৰ দৈৰ্ঘ্য সামৰি খহনীয়া প্ৰতিৰোধী কাম কৰা হ'ব। জলসম্পদ মন্ত্ৰীগৰাকীয়ে পাছত ধুবুৰী জিলাৰ ফকিৰগঞ্জত উপস্থিত হৈ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া অধ্যুষিত অঞ্চল পৰিদৰ্শন কৰে। অঞ্চলটোত খহনীয়া প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকৰ পুঁজিৰে প্ৰায় ৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি পৰৱৰ্তী পৰ্যায়ত স্থায়ী কাম কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ আজি চতুৰ্থ দিনাও ভালেকেইটা মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰকাশন পৰিষদৰ উদ্যোগত আজি বিয়লি চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় সন্দৰ্ভত এখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ, অভিনেতা তথা পৰিচালক কেনি বসুমতাৰী, শ্যাম বৰা, অচিন্ত শংকৰ, অভিনেতা কমললোচন, প্ৰিয়ংকা বৰুৱা আদি আলোচক হিচাপে উপস্থিত থাকে। অপৰাজিতা পূজাৰীয়ে পৰিচালনা কৰিবলগীয়া এই আলোচনাত বিশিষ্ট অতিথি হিচাপে মুম্বাইৰ চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক, লেখক মনোজ শ্ৰীবাস্তৱ উপস্থিত থাকে। ইয়াৰ উপৰি গ্ৰন্থমেলাৰ বাকৰিত আজি কেইবাখনো গ্ৰন্থও উন্মোচন কৰা হয়।

কালি বছৰৰ অন্তিমটো দেওবাৰত গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থপ্ৰেমীৰ যথেষ্ট ভিৰ পৰিলক্ষিত হোৱাৰ লগতে বহুসংখ্যক গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলৰ পৰা জানিব পৰা গৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উদ্যোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

অসম আৰক্ষীৰ বিশেষ কৰ্ম বাহিনীয়ে আৰম্ভ কৰা প্ৰঘাত অভিযানৰ অংশ হিচাপে কালি অভিযানকাৰী দলে কোকৰাঝাৰ জিলাৰ ভদেয়াগুৰি আৰক্ষী থানাৰ অন্তৰ্গত এঠাইত অভিযান চলাই গাজী ৰহমান নামৰ এজন অভিযুক্তক আটক কৰে। কোকৰাঝাৰ আৰক্ষী থানাত ৰুজু হোৱা এটা গোচৰৰ অনুসন্ধানৰ পম খেদি বিশেষ কৰ্মবাহিনীয়ে এই অভিযুক্তজনক আটক কৰিবলৈ সমৰ্থ হয় বুলি অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত